# অসমীয়া কবিতাৰ ঐতিহ্য
# চন্দ্ৰকুমাৰ

**ডঃ চিত্ৰজিৎ শইকীয়া**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান - ৭৮৬ ৬০২
ম'বাইল নং - ৭০০২৪৮৪৫২২
e-mail : chitrajitsaikia@gmail.com

অসমীয়া কবিতাৰ ইতিহাসত 'জোনাকী' যুগটোৰ বিশেষ তাৎপৰ্য আছে। এই যুগটোতে প্ৰথমবাৰৰ বাবে অসমীয়া কবিতালৈ পাশ্চাত্যৰ ৰোমাণ্টিক ভাবধাৰাৰ আগমন ঘটিছিল। এইক্ষেত্ৰত প্ৰধানভাবে অৱদান আগবঢ়াইছিল চন্দ্ৰকুমাৰ আগৰৱালাই। চন্দ্ৰকুমাৰ আগৰৱালাক বিশেষভাবে সহযোগিতা আগবঢ়োৱা আন দুজন পুৰোধা ব্যক্তি আছিল লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। সেয়েহে সামগ্ৰিকভাবে উল্লিখিত তিনিওজন ব্যক্তিক জোনাকী যুগৰ ত্ৰিমূৰ্তি আখ্যা দিয়া হয়।

চন্দ্ৰকুমাৰ আগৰৱালাৰ শিক্ষাজীৱনৰ আৰম্ভণি ঘটিছিল তেজপুৰতে। তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ উক্ত কলেজৰপৰাই তেওঁ এফ. এ. পৰীক্ষাত উত্তীৰ্ণ হয় আৰু একেখন কলেজতে বি. এ.-ত নাম ভৰ্তি কৰে। বি. এ.-ত অধ্যয়নৰত কালছোৱাতে চন্দ্ৰকুমাৰ আগৰৱালাই লগ পায় সেই সময়ত কলিকতাত অধ্যয়ন কৰি থকা লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীক। এই তিনিওজন ব্যক্তিৰ সংযোগ অসমীয়া সাহিত্যৰ পৰিপ্ৰেক্ষিতত আছিল অত্যন্ত ঐতিহাসিক আৰু যুগান্তকাৰী। কাৰণ তেওঁলোকৰ প্ৰচেষ্টাতে কলিকতাত শিক্ষা গ্ৰহণ কৰিবলৈ যোৱা অসমীয়া ছাত্ৰসকলে ১৮৭২ চনত স্থাপন কৰা 'অসমীয়া সাহিত্য চ'ৰা' (Assamese Literary Society)-ৰ মৃতপ্ৰায় অৱস্থাই ১৮৮৮ চনত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' নামেৰে পুনৰ নতুনকৈ প্ৰাণ পাই উঠিছিল। উল্লেখযোগ্য যে চন্দ্ৰকুমাৰ আগৰৱালাই যদিও বি. এ. পৰীক্ষাত নাম ভৰ্তি কৰিছিল তথাপি তেওঁ শিক্ষা আধৰুৱা কৰি ব্যৱসায়তহে মনোনিবেশ কৰিছিল। অৱশ্যে কলিকতাত অধ্যয়নৰত অসমীয়া বন্ধুবৰ্গৰ লগত তেওঁৰ যোগাযোগ বিচ্ছিন্ন হোৱা নাছিল। সেয়েহে পৰৱৰ্তী সময়ত যেতিয়া 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ এখনি মুখপত্ৰ উলিয়াবলৈ মনস্থ কৰা হয় তেতিয়া তাৰ বাবে প্ৰয়োজনীয় অৰ্থৰো যোগান ধৰিছিল চন্দ্ৰকুমাৰ আগৰৱালাইহে। এনেকৈয়ে ১৮৮৯ চনত 'জোনাকী' নামৰ কাকতখনে জন্ম লাভ কৰিছিল যিখনৰ প্ৰথম সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালা। মন কৰিবলগীয়া যে 'জোনাকী' কাকতখনে সেই সময়ত প্ৰাচ্য আৰু পাশ্চাত্য ভাবধাৰাৰ মাজত একপ্ৰকাৰ সংযোগসেতু স্থাপন কৰিছিল। 'জোনাকী' কাকতৰ যোগেদি যিকেইজন অসমীয়া ডেকাই নিজৰ সাহিত্যিক চিন্তা-চৰ্চা আগবঢ়াই নিছিল তাৰ ভিতৰত প্ৰধান আছিল লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, সত্যনাথ বৰা, কনকলাল বৰুৱা ইত্যাদি। তেওঁলোকৰ ৰচনাৰ যোগেদি প্ৰথমবাৰৰ বাবে অসমীয়া সাহিত্যত ইংৰাজী সাহিত্যৰ ভাবাদৰ্শ আৰু ৰূপ-ৰীতিয়ে আত্মপ্ৰকাশ কৰে। তাৰ উদাৰহণস্বৰূপে বেজবৰুৱাৰ 'লিটিকাই' নামৰ প্ৰহসন, 'পদুম কুঁৱৰী' উপন্যাস, 'ভ্ৰমৰঙ্গ' নামৰ অনূদিত নাটক, 'কৃপাবৰ বৰুৱা' শীৰ্ষক এলানি পুথি সমালোচনা, গোহাঞিবৰুৱাৰ 'লাহৰী' উপন্যাস তথা অসমীয়া কবিতালৈ অহা নতুন ৰূপ, ভাব আৰু ছন্দলৈ আঙুলিয়াব পাৰি। ইয়াৰে 'কবিতা' শিতানটোক প্ৰধানভাবে সমৃদ্ধ কৰা ব্যক্তিজন আছিল চন্দ্ৰকুমাৰ আগৰৱালা।

চন্দ্ৰকুমাৰ আগৰৱালাৰ মন-প্ৰাণ আছিল অসমীয়া ভাষা-সাহিত্যৰ সেৱাত উৎসৰ্গিত। সেয়েহে ব্যৱসায়ৰ সমান্তৰালভাবে তেওঁ অসমীয়া ভাষা-সাহিত্যৰ প্ৰগতিত অৰিহণা আগবঢ়াইছিল। সেই সময়ত অসমীয়া পুথি প্ৰকাশৰ পৰ্যাপ্ত সুবিধা অসমত নথকা দেখি তেওঁ 'আসাম প্ৰিণ্টাৰ্চ এণ্ড পাব্লিছাৰ্চ লিমিটেড' নামৰ এটি প্ৰতিষ্ঠান খুলিছিল। তেওঁৰ দূৰদৰ্শী মনে এই কথাও বুজিছিল যে অসমীয়া ভাষাত কাকত-আলোচনী যিমানেই প্ৰকাশ পাব সিমানেই অসমীয়া সাহিত্যৰো বিকাশ সাধান হ'ব। সেয়ে ১৯১৮ চনত তেওঁ ডিব্ৰুগড়ৰপৰা সাদিনীয়া 'অসমীয়া' নামৰ বাতৰি কাকতখন প্ৰকাশ কৰি উলিয়াইছিল। ১৯৩০ চনৰপৰা এই কাকতখন তিনিদিনীয়াকৈ প্ৰকাশ পাইছিল। আনহাতে পুৰণি অসমীয়া পুথিসমূহ পুনৰুদ্ধাৰ কৰি সেইবোৰ সংৰক্ষণ কৰাৰ স্বাৰ্থত তেওঁ পুনৰ প্ৰকাশৰ ব্যৱস্থা কৰিছিল। বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'বাঁহী' আলোচনীখনে প্ৰকাশৰ ক্ষেত্ৰত সন্মুখীন হোৱা আৰ্থিক সংকট দূৰ কৰাৰ বাবে চন্দ্ৰকুমাৰ আগৰৱালাই পাৰ্যমানে সহায়ৰ হাত আগবঢ়াইছিল। এইক্ষেত্ৰত তেওঁৰ গুৱাহাটীস্থিত নিউ প্ৰেছৰপৰাই ১৯২১ চনৰপৰা ১৯৩৩ চনলৈকে ডিম্বেশ্বৰ নেওগৰ সহঃ সম্পাদনাত 'বাঁহী' প্ৰকাশ পোৱাৰ কথা মনত পেলাব পাৰি।

অসমীয়া সাহিত্যলৈ চন্দ্ৰকুমাৰ আগৰৱালাৰ অৱদান বুলিবলৈ আমাৰ হাতত আছে তেওঁৰ জীৱনকালত প্ৰকাশিত 'প্ৰতিমা' (১৯১৪) আৰু 'বীণব'ৰাগী' (১৯২৩) শীৰ্ষক কাব্যগ্ৰন্থ দুখন। অৱশ্যে মৰণোত্তৰভাবে অতুলচন্দ্ৰ হাজৰিকাৰ সম্পাদনাত প্ৰকাশ পায় 'চন্দ্ৰামৃত' (১৯৬৭) নামৰ তেওঁৰ আন এখন কবিতা পুথি। ১৯৯৩ চনত নগেন শইকীয়াৰ সম্পাদনাত 'চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা-সমগ্ৰ' শীৰ্ষকেৰে চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাসমূহৰ একত্ৰ সংকলন প্ৰকাশ পায় । সি যিয়েই নহওক, চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা সংখ্যাত বেছি নহয়। কিন্তু সাহিত্যৰ মূল্য সংখ্যাৰে নিৰ্ণিত নহয়, নিৰ্ণয় হয় ইয়াৰ আভ্যন্তৰীণ গুণ আৰু মানবিশিষ্টতাৰ যোগেদিহে। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাও গুণগতভাবে উচ্চ আৰু অভিনৱ আদৰ্শবাহী বাবে অসমীয়া সাহিত্যত এইবোৰে বিশিষ্ট স্থান দখল কৰি আহিছে। ৰোমাণ্টিক যুগৰ কবিসকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাই আগস্থান লাভ কৰি 'প্ৰতিমাৰ খনিকৰ' নামেৰে প্ৰসিদ্ধি লাভ কৰে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰায়বোৰ কবিতাই 'জোনাকী'ৰ প্ৰথম পৰ্ব (১৮৮৯-৯৯) আৰু 'বাঁহী' (১৯০৯-৩৩)-ত প্ৰকাশ লাভ কৰিছিল। 'জোনাকী'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যা (১৮৮৯ চনৰ ৯ ফেব্ৰুৱাৰী)-ত প্ৰকাশিত আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ কবিতাটোৱেই প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা। এই  কবিতাটোৰ যোগেদিয়েই অসমীয়া কাব্যমোদীসকলে প্ৰথমবাৰৰ বাবে ৰোমাণ্টিক কবিতাৰ বিবিধ লক্ষণৰ সৈতে পৰিচয় লাভ কৰে। প্ৰচুৰ কল্পনাপ্ৰৱণতা, অতি-প্ৰাকৃত আৰু অলৌকিক পৰিবেশৰ চিত্ৰণ, বিস্ময়ানুভূতিৰ অভিনৱ কাব্যিক স্বাদৰ সৈতে অসমীয়া পাঠক সমাজ একাত্ম হয়। এই যে 'বনকুঁৱৰী' নামৰ কবিতাটোত প্ৰথমাৰৰ বাবে ৰোমাণ্টিক কবিতাৰ লক্ষণসমূহে বাংময় ৰূপ লাভ কৰিলে, সেই লক্ষণসমূহে অধিক গাঢ় ৰূপ লাভ কৰে আগৰৱালাৰ পৰৱৰ্তী কবিতাসমূহত। ৰোমাণ্টিক কবিতাৰ লক্ষণপুষ্ট একাধিক কবিতা ৰচনাৰে চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া সাহিত্যত ৰোমাণ্টিক কবিতাৰ এটা সুকীয়া ধাৰাৰ প্ৰতিষ্ঠা কৰে। পৰৱৰ্তী সময়ত আগৰৱালাৰ কবিতাৰ প্ৰেৰণা আৰু আদৰ্শত বহুজন ৰোমাণ্টিক কবিয়ে আত্মপ্ৰকাশ কৰি এই ধাৰাটো সমৃদ্ধ কৰে।

অসমীয়া সমালোচকসকলে চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ বিষয়ে ব্যাপকভাবে বিচাৰ-বিশ্লেষণ আগবঢ়াইছে। এই বিশ্লেষণসমূহে কবিগৰাকীৰ কবিতাৰ গুৰুত্ব আৰু কলাকৰ্ম হিচাপে সিবোৰৰ সফলতাকে প্ৰতিপন্ন কৰিছে। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিক কবিতাৰ বিবিধ লক্ষণে জুমুৰি দি ধৰিছেহি। তাৰ ভিতৰত প্ৰকৃতিপ্ৰীতি, মানৱতাবাদ,

বিশ্বপ্ৰেম, অতিপ্ৰাকৃত পৰিবেশৰ চিত্ৰণ তথা আধ্যাত্মিকতাৰ প্ৰকাশ ইত্যাদিয়েই প্ৰধান। এই প্ৰসংগত বীৰেণ বৰকটকীয়ে 'অসমীয়া সাহিত্যত এভুমুকি' নামৰ গ্ৰন্থত কৈছে —'*চন্দ্ৰকুমাৰে যি দুখন কবিতা পুথি লিখিলে সেই দুয়োখন কবিতা পুথিৰেই কবিতাবিলাকৰ ভাব গধুৰ। এই ভাবগধুৰ কবিতাবিলাকৰ ভিতৰত প্ৰকৃতি, মানৱতা, বিশ্বপ্ৰেম, অতিপ্ৰাকৃত আৰু আধ্যাত্মিক বিষয়ৰ কবিতাই প্ৰধান। সকলোবোৰ কবিতাৰ মাজেদি চন্দ্ৰকুমাৰৰ মানৱতাবাদী ভাবধাৰা সুস্পষ্ট হৈ পৰিছে। আধ্যাত্মিকতাবাদী কবিতাৰ ওপৰত প্ৰভাব পৰিছে গীতা, উপনিষদ আদিৰ মহান বাণীৰ।*'

উদাৰ মানৱতাবোধ ৰোমাণ্টিক কবিতাৰ এক ডাঙৰ লক্ষণ। এই ধাৰণা পাশ্চাত্যৰপৰা আহৰিত। কিন্তু আধ্যাত্মিকতাবাদী ধাৰণা মূলতঃ প্ৰাচ্য আদৰ্শৰ লগত জড়িত। আগৰৱালাৰ কবিতাত কিন্তু এই দুই আদৰ্শৰ সমাহাৰ ঘটিছে। 'বীণ-ব'ৰাগী'ৰ কবিতাসমূহ ইয়াৰ প্ৰকৃষ্ট উদাহৰণ। সেয়েহে নগেন শইকীয়াই 'চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ' শীৰ্ষক গ্ৰন্থত এইদৰে মন্তব্য কৰিছে —'*এহাতে পশ্চিমৰপৰা অহা উদাৰ মানৱিকতাবাদ (Liberal humanism) আৰু আনহাতে পূবৰ আধ্যাত্মবাদ (Spiritualism) এই দুয়োটা ভাবাদৰ্শই 'বীণ-ব'ৰাগী'ত এটি সমন্বিত ৰূপ লাভ কৰিছে।*'

সৌন্দৰ্য-চেতনা চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত অন্তৰ্লীণ হৈ থকা আন এক লক্ষণ। 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল' কবিৰ জীৱনৰ যেন আপ্তবাক্য। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ফুটি উঠা সৌন্দৰ্য-চেতনাই ক্ৰমে সাধাৰণৰপৰা অসাধাৰণলৈ গতি কৰিছে। তেওঁৰ কবিতাত প্ৰকাশিত সৌন্দৰ্য-চেতনা আপাত দৃষ্টিত অতি সৰল, অথচ গভীৰ। সেয়েহে কৰবী ডেকা হাজৰিকাই 'অসমীয়া সাহিত্যৰ ৰূপ-ৰস'ত কৈছে —'*তেওঁৰ কবিতাত সুন্দৰী প্ৰকৃতিৰ নিষ্ঠুৰতা, অতিপ্ৰাকৃত চৰিত্ৰৰ সৌন্দৰ্য, সাধাৰণ মানুহৰ মাজত প্ৰছন্ন ঐশী শক্তি আৰু সকলো অশুভক নাশ কৰি নিজহাতে মংগল প্ৰতিষ্ঠাৰ বাসনা আদি নতুন ভাব-অনুভূতিৰ প্ৰকাশ ঘটিছে।*'

আধুনিক কবিতাৰ দৰে ৰোমাণ্টিক কবিতাৰ প্ৰকাশভংগী জটিল নহয়। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ প্ৰকাশভংগীও অতি সহজ-সৰল। এই প্ৰসংগত ত্ৰৈলোক্য নাথ গোস্বামীৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁ 'সাহিত্য-কলা আৰু তাৰ বিচাৰ' নামৰ গ্ৰন্থত কৈছে —'*লোকগীতৰ দৰে সৰল আৰু অনেক ক্ষেত্ৰত পোনপটীয়া বাক্য-ৰীতিয়ে আগৰৱালাৰ কবিতাবোৰত নতুন ৰহন সানিছে। তেওঁৰ আগতে কোনো কবিয়ে সৰল বাক্-ভংগীৰ সহায়ত গভীৰ অৰ্থ পৰিস্ফুট কৰাৰ আদৰ্শ চকুৰ আগত ৰখা চিন পোৱা নাযায়। তেওঁ যিকেইটা ৰোমাণ্টিক কবিতা লিখিছে, সেইকেইটাৰ মাজতো আছে সৰল প্ৰকাশভংগী, কিন্তু ৰহস্য-ঘন পৰিৱেশ আৰু বিস্ময়াকুল কবি মনৰ অন্তৰ্পণ বিচৰণ।*'

চন্দ্ৰকুমাৰ আগৰৱালাই তেওঁৰ কবিতাত মানৱতাৰ জয়গান গাইছে। আগৰৱালাৰ এই মানৱতাবাদী দৃষ্টিভংগীত আধুনিকতাৰ উমান পোৱা যায়। আধুনিক মনৰ অধিকাৰী আছিল বাবেই সংসাৰৰ প্ৰতি কবিৰ দৃষ্টিভংগী বাস্তৱসন্মত তথা প্ৰত্যয়জনক। 'মানৱ-বন্দনা' কতিাত কবিয়ে কৈছে — '*মানুহেই দেৱ মানুহেই সেৱ/মানুহ বিনে নাই কেৱ/কৰাঁ কৰাঁ পূজা-পাদ্য অৰ্ঘ্য লই -/জয় জয় মানৱ দেৱ ।*'একেদৰে, 'বীণ-ব'ৰাগী' কবিতাত কবিয়ে কৈছে —'*দেখিছোঁ পৃথিৱী স্বৰ্গতো অধিক/মানুহৰ নিজাপী ঘৰ/মানুহেই দেৱ ইহজগতৰ/মানুহেই পৰাৎপৰ।*'এনে প্ৰেক্ষাপটতে হেম বৰাই 'ৰমন্যাসবাদ ঃ অসমীয়া কবিতা আৰু জনদিয়েক প্ৰধান কবি' নামৰ গ্ৰন্থত 'সামগ্ৰিক বিচাৰত চন্দ্ৰকুমাৰ আগৰৱালাক মানৱতাবাদী (humanist) কবি হিচাপে মূল্যায়ন কৰা উচিত' বুলি মন্তব্য কৰিছে।

অসমীয়া কাব্য সাহিত্যলৈ ৰোমাণ্টিকতাৰ ঢৌ বোৱাই অনা পথিকৃৎ ৰোমাণ্টিক কবি হিচাপে অসমীয়া সাহিত্যলৈ চন্দ্ৰকুমাৰ আগৰৱালাৰ স্বকীয় অৱদান কোনখিনিত সেই দিশটো আলোচনাৰ অন্তত কেতবোৰ সিদ্ধান্তত উপনীত হ'ব পাৰি — ক)অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা কৰিবলৈ কাকত-আলোচনীৰ অভাৱ হৈ থকা কালছোৱাত 'জোনাকী' কাকতৰ প্ৰকাশৰ ব্যৱস্থা কৰি তাৰ সম্পাদনাৰ দায়িত্ব মূৰ পাতি লোৱাত চন্দ্ৰকুমাৰ আগৰৱালাৰ অৱদান আছে। খ)'আসাম প্ৰিণ্টাৰ্চ এণ্ড পাব্লিছাৰ্চ লিমিটেড' নামৰ প্ৰতিষ্ঠান স্থাপন কৰি অসমীয়া পুথি প্ৰকাশৰ পথ সুচল কৰি তোলাত আগৰৱালাৰ অৱদান আছে। এইক্ষেত্ৰত ভিন্ন সময়ত ভিন্ন ক্ষেত্ৰত তেওঁ অৰ্থ সাহাৰ্যৰেও সহায়ৰ হাত আগবঢ়াইছিল। গ)'অসমীয়া' নামৰ কাকতখনো চন্দ্ৰকুমাৰ আগৰৱালাই প্ৰকাশ কৰি উলিয়াইছিল। এই কাকতখনতো যথেষ্ট সংখ্যক অসমীয়া লেখকে সাহিত্য চৰ্চা কৰি অসমীয়া সাহিত্যক আগবঢ়াই নিছিল। ঘ)অসমীয়া সাহিত্যৰ ঐতিহ্য প্ৰাচীন পুথিসমূহ পুনৰুদ্ধাৰ কৰি সেইবোৰক পুনৰ প্ৰকাশৰ ব্যৱস্থা কৰাত চন্দ্ৰকুমাৰ আগৰৱালাৰ অৱদান আছে। এই প্ৰসংগত তেওঁ ১৮৭৬ চনতে শংকৰদেৱৰ 'কীৰ্তন-ঘোষা' আৰু মাধৱদেৱৰ 'নামঘোষা' ছপা কৰি প্ৰকাশ কৰি উলিওৱা কাৰ্যলৈ আঙুলিয়াব পাৰি। ঙ)'বনকুঁৱৰী' নামৰ কবিতা ৰচনাৰে পোনপ্ৰথমে অসমীয়া সাহিত্যত ৰোমাণ্টিক কবিতাৰ দুৱাৰ মুকলি কৰি এক সুকীয়া কাব্যধাৰাৰ প্ৰতিষ্ঠা কৰাত চন্দ্ৰকুমাৰ আগৰৱালাৰ অৱদান আছে। 'অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰথম বিস্ময়কৰ আৰু প্ৰকাশসাৰ্থক উন্মেষ তেওঁৰ 'বনকুঁৱৰী'ত' বুলি মহেশ্বৰ নেওগেও স্বীকাৰ কৰি গৈছে। চ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাতে প্ৰথমবাৰৰ বাবে প্ৰাচ্য আৰু পাশ্চাত্য ভাবধাৰাৰ সমন্বয় ঘটিছিল। আগৰৱালাৰ সমসাময়িক কবিসকলৰ বাবে সেয়া আছিল অনুকৰণীয় আদৰ্শস্বৰূপ। সেই আদৰ্শকে সাৰোগত কৰি অসমীয়া সাহিত্যত এচাম কবিৰ আত্মপ্ৰকাশ ঘটিছিল, যিসকলে অসমীয়া ৰোমাণ্টিক কাব্যধাৰা আগবঢ়াই নিছিল।

অসমীয়া ভাষা-সাহিত্যৰ প্ৰগতিত অহোপুৰুষাৰ্থ কৰা চন্দ্ৰকুমাৰ আগৰৱালাই মাথোন দুখন কবিতা পুথি ৰচনা কৰিয়েই সমসাময়িক অসমীয়া লেখকসকলৰ সুপ্ত সাহিত্যিক প্ৰতিভা জাগ্ৰত কৰাত অনুপ্ৰেৰকৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। অভিনৱ বিশেষত্ব আৰু সুকীয়া শৈলীৰে কবিতা ৰচনা কৰি আগৰৱালাই তদানীন্তন গতানুগতিক কাব্যধাৰাৰ যতি পেলাই অসমীয়া পাঠক সমাজক নতুনত্বৰ সোৱাদ দিবলৈ সক্ষম হৈছিল। নন্দ তালুকদাৰে সাৰ্থকভাবেই 'কবি আৰু কবিতা'ত কৈছে —'চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা সংখ্যা সাপেক্ষ নহয়। মুষ্টিমেয় কবিতাকেইটিৰ মাজেৰে ৰোমাণ্টিক ভাব-আদৰ্শ আগত ৰাখি কবিয়ে অপৰূপ দৃশ্যাৱলীৰ চিত্ৰপট অংকন কৰিছে।'